**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 25-11-2025** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

অসম বিধানসভাৰ শীতকালীন অধিৱেশন আজি আৰম্ভ হৈছে। চৰকাৰী সূত্ৰত প্ৰকাশ পোৱা অনুসৰি এইবাৰৰ অধিৱেশনত ২৭ খন বিধেয়ক উত্থাপনৰ বাবে তালিকাভুক্ত কৰা হৈছে। আজি সদনত ১১ খন বিধেয়ক উত্থাপন হ'ব। ইয়াৰে তিনিখন নতুন আৰু ৮ খন সংশোধনী বিধেয়ক।

প্ৰশ্নোত্তৰ শিতানেৰে সদনৰ দিনটোৰ কামকাজ আৰম্ভ হয়। জুবিন গাৰ্গৰ মৃত্যুৰ প্ৰসংগ উত্থাপন কৰি ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে এছ আই টিৰ তদন্ত সন্দৰ্ভত সৰৱ হৈ পৰে। সৰভোগৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে জুবিন গাৰ্গৰ মুত্যুৰ প্ৰসংগ উল্লেখ কৰি কয়, যে জুবিনৰ আদৰ্শৰ অপব্যাখ্যা কৰা হৈছে। এই সন্দৰ্ভত বিধায়কগৰাকীয়ে বিষ্ণু প্ৰসাদ ৰাভাৰ মৃত্যুৰ প্ৰসংগও টানি আনে। তেওঁ কয়, যে জীৱন আৰু সমাজ সম্পৰ্কে জুবিন গাৰ্গৰ নিজস্ব জীৱনবীক্ষা আছিল। ইপিনে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা স্বাভাৱিক নহয় বুলি সদনত উল্লেখ কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ সৈতে জড়িত গোচৰত ইতিমধ্যে সাতগৰাকী লোকক গ্ৰেপ্তাৰ কৰা হৈছে আৰু তেওঁলোক বৰ্তমান জেলত আছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

২৯ নৱেম্বৰলৈ চলিবলগীয়া এই অধিৱেশনত মুঠ ৫টা কৰ্মদিন থাকিব। ২৮ নৱেম্বৰৰ দিনটো ব্যক্তিগত সদস্যৰ কাৰ্যক্ৰমণিকাৰ বাবে ৰখা হৈছে। অধিৱেশনৰ কেউটাদিনতে প্ৰশ্নোত্তৰ কাল থাকিব। আমাৰ বিশেষ সংবাদদাতাই জনোৱা মতে অসম মন্ত্ৰীসভাই লোৱা সিদ্ধান্ত অনুসৰি ১৯৮৩ চনত নেলীত সংঘটিত গণহত্যাৰ তদন্ত কৰা ত্ৰিভূৱন প্ৰসাদ তিৱাৰী আয়োগৰ প্ৰতিবেদন এইবাৰৰ অধিৱেশনত দাখিল কৰা হ'ব। তদুপৰি ছটা জনগোষ্ঠীৰ জনজাতিকৰণ আৰু সাংসদ গৌৰৱ গগৈ আৰু তেওঁৰ পৰিয়ালৰ পাকিস্তান সংযোগ বিষয়ক প্ৰসংগই এইবাৰৰ অধিৱেশনত বিশেষ গুৰুত্ব লাভ কৰাৰ সম্ভাৱনা আছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অধিৱেশনৰ দিনকেইটাত নিশা ৯ বাজি ১৫ মিনিটৰ পৰা **বিধানসভাত আজিৰ দিনটো** প্ৰচাৰ কৰিব।

০০০০০০

কামৰূপ জিলাৰ কনক ডেকা নামৰ এজন যুৱকে অসমত প্ৰথমবাৰৰ বাবে দুখনকৈ ৰে'ল ক্ৰয় কৰি ব্যৱসায়িক ক্ষেত্ৰখনৰ সম্প্ৰসাৰণ ঘটাইছে। ব্যক্তিগত ব্যৱসায়িক ক্ষেত্ৰলৈ ৰে'ল ক'ৰিড'ৰ নিৰ্মাণ কৰাটো সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত এইয়াই প্ৰথম। ভাৰতীয় ৰে'ল মানচিত্ৰত কনক ডেকাৰ ব্যক্তিগত ৰে'ল ষ্টেচনৰ নাম সংযোজিত হৈছে। প্ৰধানমন্ত্ৰী গতি শক্তি আঁচনিৰ অধীনত নিৰ্মাণ কৰা এই প্ৰকল্প মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুকলি কৰিব। ৩০০ বিঘা ভূমিত নিৰ্মাণ কৰা এই প্ৰকল্পত প্ৰায় এহেজাৰ যুৱক-যুৱতীয়ে সংস্থাপন লাভ কৰিব। ২৪৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰকল্পত টাটা, মহেন্দ্ৰা, সোনালিকা, হিন্দুস্তান ইউনিলিভাৰকে ধৰি ভালসংখ্যক বহুজাতিক প্ৰতিষ্ঠানে ল'জিষ্টিক সেৱা গ্ৰহণ কৰিব। এডভাণ্টেজ আছাম দ্বিতীয় পৰ্যায়ত স্বাক্ষৰিত প্ৰায় ৫০০ কোটি টকাৰ চুক্তি মৰ্মে যুৱ ব্যৱসায়ী কনক ডেকাই স্থাপন কৰা এই প্ৰকল্প সন্দৰ্ভত এটা সাক্ষাৎকাৰত যুৱ ব্যৱসায়ীগৰাকীয়ে এইদৰে কয়-

*(বাইট)*

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২৮ সংখ্যক খণ্ড। জনসাধাৰণে ১৮০০ ১১ ৭৮০০ শুল্ক বিহীন নম্বৰত ফোন কৰি এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু পৰামৰ্শ প্ৰেৰণ কৰিব পাৰিব। নমো এপ নাইবা মাই গ'ভ মুকলি মঞ্চ অথবা ১৯২২ নম্বৰত মিছডকল দিয়াৰ পাছত লাভ কৰা লিংকৰ  জৰিয়তেও জনসাধাৰণে ২৮ নৱেম্বৰ পৰ্যন্ত দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব।

০০০০০০

সমাগত ৰাজ্য বিধান সভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে অহা পহিলা ডিচেম্বৰৰ পৰা আকাশবাণী গুৱাহাটী যোগে প্ৰচাৰিত বাতৰি আৰু বাতৰি বিভাগৰ কেতবোৰ অনুষ্ঠানৰ সময়ৰ কিছু সালসলনি কৰা হৈছে। এই অনুসৰি দিনৰ ১১ বজাত প্ৰচাৰিত মুখ্য বাতৰি এক ডিচেম্বৰৰ পৰা পাঁচ মিনিটৰ বাতৰি বুলেটিন হিচাপে প্ৰচাৰ কৰা হ'ব। দিনৰ ১২ বাজি পাঁচ মিনিটত প্ৰচাৰ কৰা বাতৰিৰ সময় ১০ মিনিটলৈ বৃদ্ধি কৰা হ'ব। একেদৰে তিনি বজাৰ মুখ্য বাতৰিৰ পৰিৱৰ্তে পাঁচ মিনিটৰ বুলেটিন প্ৰচাৰ কৰা হ'ব। সন্ধিয়া ছয় বজাৰ বাতৰি এতিয়া পাঁচ মিনিটৰ পৰিৱৰ্তে ১০ মিনিটৰ বাবে প্ৰচাৰ কৰা হ'ব। প্ৰতি মঙলবাৰে এক বাজি ২০ মিনিটত প্ৰচাৰ কৰা প্ৰাসংগিকৰ উপৰি প্ৰতিদিনে বিয়লি তিনি বাজি পাঁচ মিনিটৰ পৰা তিনি বাজিৰ ১৫ মিনিটলৈ প্ৰাসংগিক প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো প্ৰতিনিশা ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২৫ মিনিটলৈ পুনৰ প্ৰচাৰ কৰা হ'ব। ইপিনে প্ৰতি সোমবাৰে প্ৰচাৰিত ক্ৰীড়া বাৰ্তাৰ সময়ত পাঁচ মিনিট হ্ৰাস কৰা হৈছে। এই অনুসৰি অহা সোমবাৰৰ পৰা সন্ধিয়া ৬ বাজি ৪০ মিনিটৰ পৰা ৬ বাজি ৪৫ মিনিটলৈ ক্ৰীড়া বাৰ্তা প্ৰচাৰ কৰা হ'ব।

০০০০০০

**সমাপ্ত**